**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-09-2024 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সেউজ বিকাশ আৰু শূন্য কাৰ্বন নিৰ্গমনৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ বিষয়ে দোহাৰিছে।
২। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি অনুষ্ঠিত অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাত নলবাৰীৰ এগৰাকী ছাত্ৰীয়ে পৰীক্ষাগৃহত প্ৰৱেশৰ পূৰ্বে চলোৱা তালাচী সন্দৰ্ভত উত্থাপন কৰা অভিযোগ সম্পৰ্কে অসম আৰক্ষীক তদন্তৰ নিৰ্দেশ দিছে।
৩। দেশৰ বিভিন্ন প্ৰান্তত আজি পয়গম্বৰ মহম্মদৰ জন্মদিনটো মিলাদ-উন-নবী হিচাপে পালন কৰা হৈছে।
৪। জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি জম্মু আৰু কাশ্মীৰৰ ড'ডা জিলাত তিনিখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিব।

আৰু

৫। চীনৰ হুলুনবুইৰত অনুষ্ঠিত এছিয়ান চেম্পিয়নছ ট্ৰফী হকী প্ৰতিযোগিতাৰ ছেমি ফাইনেলত ভাৰত দক্ষিণ কোৰিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সেউজ বিকাশ আৰু শূন্য কাৰ্বন নিৰ্গমনৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ বিষয়ে দোহাৰিছে। শ্ৰী মোদীয়ে আজি গান্ধীনগৰৰ মহাত্মা মন্দিৰত চতুৰ্থ গোলকীয় নৱীকৰণযোগ্য শক্তি বিনিয়োগকাৰী সন্মিলন আৰু প্ৰদৰ্শনী উদ্বোধন কৰি দিয়া ভাষণত এইদৰে কয়। প্ৰধানমন্ত্ৰীয়ে কয় যে ১৪০ কোটি ভাৰতীয়ই দেশক বিশ্বৰ ভিতৰতে শীৰ্ষৰ তিনিখন অৰ্থনীতিৰ ভিতৰৰ অন্যতম হিচাপে গঢ়ি তোলাৰ বাবে সংকল্পবদ্ধ হৈ কাম কৰি আছে। প্ৰধানমন্ত্ৰীয়ে পি এম সূৰ্য ঘৰ বিনামূলীয়া বিজুলী আঁচনিৰো শুভাৰম্ভ কৰে। শ্ৰী মোদীয়ে কয় যে বিকাশশীল দেশ হৈয়ো ভাৰতে পেৰিছত নিৰ্ধাৰণ কৰ জলবায়ু সংক্ৰান্তীয় সিদ্ধান্তসমূহত ৯ বছৰৰ পূৰ্বে উপনীত হ'বলৈ সমৰ্থ হৈছে। তেওঁ কয় যে পি এম সূৰ্য ঘৰ বিনামূলীয়া বিজুলী আঁচনিৰ জৰিয়তে ভাৰতৰ প্ৰতিঘৰে বিজুলী উৎপাদকত পৰিণত হ'ব। এই আঁচনিৰ বাবে সমগ্ৰ দেশৰ ১ কোটিতকৈও অধিক লোকে নাম পঞ্জীয়ন কৰিছে। আঁচনিৰ অধীনত এতিয়ালৈকে ৩ লাখতকৈও অধিক ঘৰৰ চাঁদত সৌৰ পেনেল লগোৱা হৈছে। প্ৰধানমন্ত্ৰীয়ে লগতে যুৱক-যুৱতীসকলৰ বাবে নৱীকৰণযোগ্য শক্তিখণ্ডত পৰ্যাপ্ত পৰিমাণে চাকৰি আৰু দক্ষতাৰ সুযোগ সৃষ্টিৰ ওপৰতো বিশেষভাৱে গুৰুত্ব আৰোপ কৰে। জলবায়ু সুৰক্ষা সংক্ৰান্তীয় নীতিয়ে হৈছে এইক্ষেত্ৰত ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ প্ৰধান অংগ বুলিও শ্ৰী মোদীয়ে উল্লেখ কৰে। মিছন লাইফৰ অধীনত পৰিৱেশ অনুকুল জীৱনশৈলী আৰু পুনৰ ব্যৱহাৰযোগ্য অৰ্থব্যৱস্থাৰ পৰিকল্পনা উৎসাহিত কৰা আদি কাৰ্যসূচী অন্তৰ্ভুক্ত কৰা হৈছে। তেওঁ লগতে দেশৰ ১৭ খন মহানগৰক সৌৰ নগৰী হিচাপে বিকশাই তোলাৰ চৰকাৰৰ পৰিকল্পনা সম্পৰ্কেও মত প্ৰকাশ কৰে। তেওঁ কয় যে চৰকাৰৰ বৰ্তমান কাৰ্য পৰিকল্পনা হৈছে - ২০৪৭ চনৰ ভিতৰত দেশক এখন বিকশিত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলা। শ্ৰী মোদীয়ে লগতে কয় যে চৰকাৰৰ এই পৰিকল্পনাৰ সফলতা তৃতীয় কাৰ্যকালৰ প্ৰথম ১০০ দিনত গ্ৰহণ কৰা সিদ্ধান্তসমূহৰ জৰিয়তে সুন্দৰকৈ প্ৰতিফলিত হৈছে।

কেন্দ্ৰীয় নতুন আৰু নৱীকৰণযোগ্য শক্তি মন্ত্ৰালয়ে এই সন্মিলনৰ আয়োজন কৰিছে। তিনিদিনীয়া এই সন্মিলনত অনুষ্ঠিত হ'বলগীয়া ৪০ খনতকৈও অধিক অধিৱেশনৰ জৰিয়তে সেউজ হাইড্ৰ'জেন, উদ্ভাৱনীমূলক বিত্ত সাহায্য আৰু ভৱিষ্যতৰ শক্তি সমাধান আদি বিষয় সন্দৰ্ভত বিশেষ আলোচনা অনুষ্ঠিত হ'ব। ১৪০ খন দেশৰ প্ৰায় ১০ হাজাৰ প্ৰতিনিধিয়ে এই সন্মিলনত অংশগ্ৰহণ কৰিছে।

শ্ৰীমোদীয়ে আহমদাবাদৰ পৰা গান্ধীনগৰ তথা জি আই এফ টি মহানগৰ সংযোগী আহমদাবাদ মেট্ৰ'ৰ দ্বিতীয় পৰ্যায়ো মুকলি কৰিব। প্ৰধানমন্ত্ৰীয়ে আহমেদাবাদ আৰু ভূজৰ মাজত চলিবলগীয়া প্ৰথমখন বন্দে ভাৰত মেট্ৰ' ট্ৰেইনৰ শুভাৰম্ভ কৰাৰ লগতে ৮ হাজাৰ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ হ'বলগীয়া বিভিন্ন প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব।

ooooooooo

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি অনুষ্ঠিত অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষাত নলবাৰীৰ এগৰাকী ছাত্ৰীয়ে পৰীক্ষাগৃহত প্ৰৱেশৰ পূৰ্বে চলোৱা তালাচী সন্দৰ্ভত উত্থাপন কৰা অভিযোগ সম্পৰ্কে অসম আৰক্ষীক তদন্তৰ নিৰ্দেশ দিছে। মুখ্যমন্ত্ৰীয়ে কয় যে এই পৰীক্ষা অত্যন্ত সততা আৰু স্বচ্ছতাৰে অনুষ্ঠিত কৰাটোৱে হৈছে চৰকাৰৰ প্ৰধান লক্ষ্য। নৱ-প্ৰজন্মৰ কল্যাণৰ হকে কোনোধৰণৰ অনিয়মৰ ক্ষেত্ৰতে আপোচ কৰা নহ'ব বুলি তেওঁ মন্তব্য কৰে। একে সময়তে মহিলা প্ৰাৰ্থীৰ শালীনতা, মৰ্যাদা ৰক্ষা নিশ্চিত কৰাটোও চৰকাৰৰ অন্যতম লক্ষ্য বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। মহিলাৰ সৈতে জড়িত তালাচী চলোৱা সন্দৰ্ভত আদালতে দিয়া প্ৰাসংগিক ৰায় আৰু মহিলা আয়োগৰ নিৰ্দেশনা অনুসৰি পৰৱৰ্তী পৰীক্ষাৰ পূৰ্বে এটা মানসন্মত বিধি প্ৰস্তুত কৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ইপিনে, উত্তৰ লখিমপুৰত পৰীক্ষাৰ পূৰ্বে চলোৱা তালাচীৰ সময়ত এগৰাকী পৰীক্ষাৰ্থীৰ অন্তৰ্বাসৰ ভিতৰৰ পৰা নকলৰ সামগ্ৰী উদ্ধাৰ কৰা বুলিও জানিব পৰা গৈছে।

আৰক্ষী সঞ্চালকপ্ৰধান জি পি সিঙে মুখ্যমন্ত্ৰীৰ এই নিৰ্দেশ সন্দৰ্ভত ইতিমধ্যে তদন্তৰ ঘোষণা কৰা হৈছে বুলি প্ৰকাশ কৰাৰ লগতে তালাচী সন্দৰ্ভত পৰৱৰ্তী পৰীক্ষাৰ পূৰ্বে নীতি-নিৰ্দেশনা জাৰি কৰা হ'ব বুলিও জানিবলৈ দিছে।

ooooooooo

দেশৰ বিভিন্ন প্ৰান্তত আজি পয়গম্বৰ মহম্মদৰ জন্মদিনটো মিলাদ-উন-নবী হিচাপে পালন কৰা হৈছে। এই উপলক্ষে পয়গম্বৰ মহম্মদৰ জীৱন তথা আদৰ্শৰ ওপৰত আলোকপাত কৰি মিলাদ তথা ছিৰাট সন্মিলন আয়োজন কৰা হৈছে।

রাষ্ট্রপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে মিলাদ-উন-নবী উপলক্ষে দেশৰ জনসাধাৰণৰ বিশেষকৈ মুছলমান সম্প্ৰদায়ৰ লোকসকললৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কয় যে, পয়গম্বৰ মহম্মদৰ জীৱন দৰ্শনে প্ৰেম আৰু ভাতৃত্বৰ বোধ শক্তিশালী কৰাৰ বাবে সকলোকে উৎসাহিত কৰাৰ লগতে সমাজত সমতা আৰু সম্প্ৰীতি ৰক্ষাত অধিক গুৰুত্ব আৰোপ কৰি আহিছে। তেওঁ সকলোকে মানৱতাৰ প্ৰতি সেৱা আগবঢ়াই যাবলৈ অনুপ্ৰাণিত কৰিছিল বুলি শ্ৰীমতী মুৰ্মুৱে তেওঁৰ বাৰ্তাত উল্লেখ কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে পৱিত্ৰ কোৰাণৰ শিকনিসমূহ অনুসৰণ কৰি এখন শান্তিপূৰ্ণ সমাজ গঠনৰ হকে কাম কৰিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়।

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে মিলাদ-উন-নবী উপলক্ষে দেশবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰি হজৰত মহম্মদৰ করুণা, ন্যায় আৰু নম্ৰতাৰ আদৰ্শক স্মৰণ কৰিবলৈ জনসাধাৰণলৈ আহ্বান জনায়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মিলাদ-উন-নবী উপলক্ষে জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত শ্ৰী মোদীয়ে সম্প্ৰীতি আৰু একতা সদায়ে বৰ্তি থকাৰ লগতে চাৰিওদিশে সুখ আৰু সমৃদ্ধি বৃদ্ধি পাব বুলি আশা প্ৰকাশ কৰে।

০০০০০০০০০

জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি জম্মু আৰু কাশ্মীৰৰ ড'ডা জিলাত তিনিখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিব। আকাশবাণীৰ সংবাদদাতাই জনাইছে যে - দলীয় প্ৰাৰ্থীৰ সমৰ্থনত ৰামবান, কিণ্টৱাৰ আৰু পাড্ডাৰত হ'বলগীয়া নিৰ্বাচনী প্ৰচাৰ সভাত তেওঁ অংশগ্ৰহণ কৰিব। জম্মু-কাশ্মীৰৰ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ নিৰ্বাচনী প্ৰচাৰৰ আজি অন্তিমদিন হোৱাৰ পৰিপ্ৰেক্ষিতত বিজেপিৰ প্ৰচাৰ অভিযান তীব্ৰগতিত চলা পৰিলক্ষিত হৈছে। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই অহা ২০ ছেপ্তেম্বৰত জম্মু ভ্ৰমণ কৰাৰ লগতে মন্দিৰ চহৰখনত এটা ‘মেগা ৰোড শ্ব'ত অংশগ্ৰহণ কৰিব।

০০০০০০০০০

অষ্টম ভাৰত জল সপ্তাহ, ২০২৪ কাইলৈৰে পৰা নতুন দিল্লীত অনুষ্ঠিত হ'ব। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ভাৰত মণ্ডপমত এই কাৰ্যসূচী উদ্বোধন কৰিব। চাৰিদিনীয়া এই কাৰ্যসূচীত ২০০ গৰাকী বিদেশী প্ৰতিনিধিসহ ৪০ খন দেশৰ প্ৰায় ৪ হাজাৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব। প্ৰদৰ্শনীৰ সময়ছোৱাত ১০০ কৈও অধিক প্ৰদৰ্শক আৰু ষ্টাৰ্টআপে জল ক্ষেত্ৰত নিজ নিজ ভাৱাদৰ্শ প্ৰদৰ্শন কৰিব। নতুন দিল্লীত অনুষ্ঠিত সংবাদমেলত জলশক্তি মন্ত্ৰালয়ৰ সচিব দেৱশ্ৰী মুখাৰ্জীয়ে কয় যে উপযুক্ত জল ব্যৱস্থাপনাই দেশৰ আৰ্থিক বৃদ্ধি ত্বৰান্বিত কৰিব। তেওঁ কয় যে এই অনুষ্ঠানে বিশ্বৰ বিভিন্ন প্ৰান্তৰ জলসম্পদৰ ক্ষেত্ৰত গোলকীয় পৰ্যায়ৰ নীতি নিৰ্ধাৰণকাৰী গৱেষক, বিশেষজ্ঞ, উদ্ভাৱক আৰু অংশীদাৰসকলৰ পৰা তেওঁলোকৰ ভাৱধাৰা আৰু মতামত আহৰণৰ বাবে ই এক গোলকীয় মঞ্চ হিচাপে কাম কৰিব। শ্ৰীমতী মুখাৰ্জীয়ে এই অনুষ্ঠানৰ বিষয়বস্তু - ‘সৰ্বাংগীন জল উন্নয়ন আৰু ব্যৱস্থাপনাৰ হকে অংশীদাৰিত্ব আৰু সহযোগিতা’ বুলি জানিবলৈ দিয়ে।

০০০০০০০০০

জম্মু-কাশ্মীৰত বিধানসভা নিৰ্বাচনৰ তৃতীয় পৰ্যায়ৰ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ আজি অন্তিম দিন। আকাশবাণীৰ সংবাদদাতাই জনাইছে যে বৰ্তমানলৈকে ৪৪৯ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন বৈধ ঘোষণা কৰাৰ বিপৰীতে ৩৭ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন অবৈধ ঘোষণা কৰা হৈছে। উল্লেখযোগ্য যে ৯০ জনীয়া জম্মু-কাশ্মীৰ বিধানসভা নিৰ্বাচন ১৮ ছেপ্তেম্বৰ, ২৫ ছেপ্তেম্বৰ আৰু পহিলা অক্টোবৰত ৩টা পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। অহা ৮ অক্টোবৰত নিৰ্বাচনৰ ভোটগণনা কৰা হ'ব।

০০০০০০০

আকাশবাণী বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাৱলিক স্পীকত আজি নিশা চাৰে ন বজাত **স্বচ্ছতাই সেৱা অভিযানৰ অধীনত স্বচ্ছ ভাৰত সুনিশ্চিত কৰিবলৈ চৰকাৰে গ্ৰহণ কৰা পদক্ষেপ** সন্দৰ্ভত এক বিশেষ আলোচনা সম্প্ৰচাৰ কৰা হ'ব। এই আলোচনাত অংশগ্ৰহণ কৰিব জলশক্তি মন্ত্ৰালয়ৰ স্বচ্ছ ভাৰত অভিযানৰ সঞ্চালক তথা যুটীয়া সচিব জীতেন্দ্ৰ শ্ৰীবাস্তৱ আৰু গৃহ নিৰ্মাণ তথা নগৰ পৰিক্ৰমা মন্ত্ৰালয়ৰ সঞ্চালক অনিতা মীনাই। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি এই সন্দৰ্ভত অতিথিকেইগৰাকীক প্ৰশ্ন সুধিব পাৰিব। তেওঁলোকে ৱাটছএপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব। আকাশবাণীৰ এফ এম গ'ল্ড চেনেল আৰু অতিৰিক্ত ফ্ৰিকুৱেন্সিসমূহত এই অনুষ্ঠান শুনিবলৈ পোৱা যাব। শ্ৰোতাসকলে আমাৰ ৱেৰছাইট newson air.co.in আৰু ইউটিউব চেনেল newsonairofficial যোগেও এই অনুষ্ঠান শুনিবলৈ পাব।

০০০০০০০০

চীনৰ হুলুনবুইৰত অনুষ্ঠিত হৈ থকা ২০২৪ বৰ্ষৰ এছিয়ান চেম্পিয়নছ ট্ৰফী হকীৰ ছেমি ফাইনেলত আজি ভাৰতে দক্ষিণ কোৰিয়াৰ বিৰুদ্ধে খেলিব। খেলখন আবেলি চাৰে তিনি বজাত আৰম্ভ হ'ব। উল্লেখযোগ্য যে ভাৰতে এতিয়ালৈকে এই প্ৰতিযোগিতাৰ এখন খেলতো পৰাজিত নোহোৱাকৈ খেলি আছে। প্ৰতিযোগিতাৰ পূৰ্বৰ খেল সমূহত ভাৰতে চীনক ৩-০, জাপানক ৫-১, মালয়েছিয়াক ৮-১, কোৰিয়াক ৩-১ আৰু পাকিস্তানক ২-১ গ'লত পৰাস্ত কৰিছে। আজি হ'বলগীয়া প্ৰথমখন ছেমি ফাইনেলত আয়োজক দল চীনৰ বিৰুদ্ধে পাকিস্তান অৱতীৰ্ণ হব।

000000

সমাপ্ত